# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 19-10-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কৰ্মযোগী ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহৰ শুভাৰম্ভ কৰিব।

২। ভাৰত আৰু মলাৱিয়ে বিভিন্ন খণ্ডত সহযোগিতাৰ বাবে ৪ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে।

৩। বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব।

৪। ভাৰতে বাংগালুৰু টেষ্টৰ আজি চতুৰ্থ দিনা ৩ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৩১ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব।

*আৰু*

৫। নিউজিলেণ্ডে মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত কৰ্মযোগী ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহৰ শুভাৰম্ভ কৰিব। এই সপ্তাহৰ সময়ছোৱাত প্ৰত্যেকগৰাকী চৰকাৰী কৰ্মচাৰীয়ে ৪ ঘণ্টাৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব লাগিব। ইয়াৰ ফলত ব্যক্তিগত অংশগ্ৰহণকাৰীৰ উপৰি বিভিন্ন মন্ত্ৰালয়, বিভাগ আৰু সংগঠনৰ সামৰ্থ্যৰ বিকাশ ঘটিব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি তিনিদিনীয়া মলাৱি ভ্ৰমণৰ অন্তিম দিনা গুৰুত্বপূৰ্ণ বিভিন্ন সাংস্কৃতিক স্থান পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিয়ে কালি মলাৱিৰ ৰাষ্ট্ৰপতি লজাৰছ ছাক্‌ৱেৰাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। ভাৰত আৰু মলাৱিয়ে প্ৰতিনিধি পৰ্যায়ৰ আলোচনাৰ অন্তত বিভিন্ন খণ্ডত সহযোগিতাৰ বাবে ৪ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। এই সন্দৰ্ভত ৰাষ্ট্ৰপতি ভ্ৰমণৰ বাতৰি সংগ্ৰহৰ বাবে যোৱা আমাৰ সংবাদদাতাই এইদৰে কয় –

***-ভইচ কাষ্ট -***

আলজেৰিয়া আৰু ম'ৰিটেনিয়াৰ সফল ভ্ৰমণ সামৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মু বৃহস্পতিবাৰে মলাৱিত উপস্থিত হয়। শ্ৰীমতী মুৰ্মু আফ্ৰিকাত এই তিনিখন দেশ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় ৰাষ্ট্ৰীপতি।

০০০০০

বিদেশ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ইণ্ডোনেছিয়ালৈ যাব। তেওঁ কাইলৈ দেশখনৰ ৰাজধানী জাকাৰ্টাত ৰাষ্ট্ৰপতি প্ৰবোৱো সুবিয়াণ্টো আৰু উপ-ৰাষ্ট্ৰপতি জিব্ৰান ৰাকাবুমিং ৰাকাৰ শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত আৰু ইণ্ডোনেছিয়াই এইবছৰ দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ পূব এছিয়াৰ দেশসমূহক গুৰুত্ব প্ৰদানৰ এক্ট ইষ্টৰ নীতিৰ এটা দশক সম্পূৰ্ণ হোৱাৰ উদযাপন কৰিছে।

ইণ্ডোনেছিয়া এক্ট ইষ্টৰ নীতিৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ। বিদেশ মন্ত্ৰালয়ে কৈছে যে শপতগ্ৰহণ অনুষ্ঠানত শ্ৰীমাৰ্ঘেৰিটাৰ অংশগ্ৰহণে ভাৰত আৰু ইণ্ডোনেছিয়াৰ মাজৰ সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক শক্তিশালী কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে।

০০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখৰে এদিনীয়া কাৰ্যসূচীৰে আজি ৰাজস্থানৰ ছিকাৰ ভ্ৰমণ কৰিব। ভ্ৰমণৰ সময়ত উপৰাষ্ট্ৰপতিগৰাকীয়ে ছিকাৰস্থিত সোভাচাৰিয়া প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় ৰবি কৃষি সন্মিলন উদ্বোধন কৰিব। এই এদিনীয়া সন্মিলনত কৃষি আৰু কৃষক কল্যাণ ৰাজ্য মন্ত্ৰী ৰামনাথ ঠাকুৰো উপস্থিত থাকিব। সফল ৰবি অভিযান সুনিশ্চিত কৰাৰ বাবে কৃষি প্ৰণালীত সহযোগিতা আৰু উদ্ভাৱনৰ প্ৰসাৰেই এই সন্মিলনৰ মূল উদ্দেশ্যে। সন্মিলনত বিভিন্ন মন্ত্ৰালয়, ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু সংগঠনৰ বিষয়াসকলে আসন্ন ৰবি শস্য বৰ্ষৰ বাবে গ্ৰহণ কৰিবলগীয়া উদ্যম আৰু ৰণনীতি সম্পৰ্কে আলোচনা কৰিব।

০০০০০

ভাৰত আৰু চৌদি আৰৱে কালি নতুন দিল্লীত কৌশলগত সহযোগিতা পৰিষদৰ ৰাজনৈতিক, সুৰক্ষা, সামাজিক আৰু সাংস্কৃতিক কমিটীৰ কাম-কাজৰ পৰ্যালোচনা চলায়। বৈঠকত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে ভাৰতীয় প্ৰতিনিধি দলৰ নেৰ্তৃত্ব বহন কৰাৰ বিপৰীতে চৌদি আৰৱৰ প্ৰতিনিধি দলৰ নেতৃত্ব দিয়ে দেশখনৰ ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ উপ মন্ত্ৰী ড° চৌদ অল ছতিয়ে। বিদেশ মন্ত্ৰালয়ে কৈছে যে, বৈঠকত দুয়ো পক্ষই পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন দ্বিপাক্ষিক, আঞ্চলিক আৰু গোলকীয় বিষয় লৈ আলোচনা কৰে।

০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰা হৈছে। ইয়াৰ লগে লগে সমষ্টিকেইটাত মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। গুৱাহাটীত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কয় যে, সীমা নিৰ্ধাৰণৰ পূৰ্বৰ সমষ্টি ক্ষেত্ৰ অনুসৰি এই উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে ভোটদাতাসকলে ভোটাৰ পৰিচয় পত্ৰৰ বিষয় লৈ চিন্তিত হোৱাৰ প্ৰয়োজন নাই বুলি স্পষ্ট কৰি দিয়ে, কিয়নো নিৰ্বাচনৰ দিনা পুৰণি আৰু নতুন ভোটাৰ পৰিচয় পত্ৰ ব্যৱহাৰৰ অনুমতি দিয়া হ'ব। উপ-নিৰ্বাচনত ৯ লাখৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব বুলি শ্ৰীগোৱেলে প্ৰকাশ কৰে।

০০০০০

চি বি আইয়ে ৰাজ্যৰ অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ তদন্ত আৰম্ভ কৰিছে। চি বি আইয়ে প্ৰবঞ্চনাৰে বিনিয়োগকাৰীৰ কোটি কোটি টকা আত্মসাৎ কৰাৰ ৪১টা গোচৰৰ তদন্তৰ দায়িত্ব গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে অলপতে অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰীৰ তদন্তৰ দায়িত্ব চি বি আইক অৰ্পণ কৰিছিল। চি বি আইৰ তদন্তৰ পূৰ্বে ৰাজ্যিক আৰক্ষীয়ে এই কেংলেকাৰীৰ সৈতে জড়িত কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰিছিল। কেন্দ্ৰীয় তদন্তকাৰী

সংস্থাটোৱে কালি এই কেলেংকাৰীৰ কেইবাগৰাকীও ভুক্তভোগীৰ ভাষ্য গ্ৰহণ কৰে। তদন্তকাৰী সংস্থাটোৰ এটা দল এই কেলেংকাৰী একাংশ অভিযুক্তক জেৰাৰ কৰাৰ বাবে ডিব্ৰুগড়লৈ গৈছে। এই কেলেংকাৰীৰ মূল অভিযুক্ত দীপাংকৰ বৰ্মন এতিয়াও পলাতক অৱস্থাত আছে।

০০০০০

কয়লা মন্ত্ৰালয়ে বাণিজ্যিক কয়লা খনি নিলামৰ দশম ৰাউণ্ডত আশানুৰূপ সঁহাৰি লাভ কৰিছে আৰু মুঠ ৪৪টা নিবিদা দাখিল কৰা হৈছে। মন্ত্ৰালয়ে বিবৃতিযোগে কয় যে, এই নিবিদাসমূহে ভাৰতৰ বিকাশশীল কয়লা খণ্ডৰ প্ৰতি অংশীদাৰীসকলৰ আগ্ৰহ আৰু অংশগ্ৰহণক প্ৰতিফলিত কৰিছে। চলিত বৰ্ষৰ ২১ জুনত মন্ত্ৰালয়ে আৰম্ভ কৰা দশম ৰাউণ্ডৰ নিলামত বাণিজ্যিক খননৰ বাবে ৬৭টা কয়লা খনিৰ প্ৰস্তাৱ দিয়া হৈছে। মন্ত্ৰালয়ে কয় যে এনে উৎসাহী অংশগ্ৰহণে দেশত কয়লাৰ মুক্ত আৰু প্ৰতিযোগিতামূলক বজাৰ সৃষ্টিৰ ক্ষেত্ৰত মন্ত্ৰালয়ৰ প্ৰচেষ্টাক সাফল্যমণ্ডিত কৰিছে। কালি নিবিদা জমা দিয়াৰ অন্তিম তাৰিখ আছিল। নিলাম প্ৰক্ৰিয়াত লাভ কৰা অনলাইন নিবিদাসমূহৰ লগতে মনোনীত কৰ্তৃপক্ষৰ কাৰ্যালয়ত দাখিল কৰা অফলাইন নিবিদাসমূহ সোমবাৰে নিলামকাৰীসকলৰ উপস্থিতিত মুকলি কৰা হ'ব।

০০০০০

ইজৰাইলী সেনাই লেবাননৰ বিৰুদ্ধে আক্ৰমণ অব্যাহত ৰাখিছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে ২৩খন তালিকাভুক্ত গাঁও আৰু চহৰৰ বাসিন্দাসকলক আৱালী নদীৰ উত্তৰ দিশলৈ স্থানান্তৰিত হ'বলৈ আহ্বান জনাইছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনী আইডিএফে সকীয়াই দিছে যে সশস্ত্ৰ গোট হিজবুল্লাহৰ ঘাটিৰ আশে পাশে এতিয়াও অৱস্থান কৰি থকা সকলে নিজৰ জীৱনক বিপদৰ মুখলৈ ঠেলি দিছে। ইফালে ইজৰাইলৰ সৈন্যই দক্ষিণ লেবাননত আক্ৰমণ অব্যাহত ৰাখিছে। আইডিএফে দাবী কৰা মতে, হিজবুল্লাহৰ ভূগৰ্ভস্থ এটা ঘাটিত শেহতীয়াকৈ চলোৱা বিমান আৰু স্থল আক্ৰমণত চাৰিজন উগ্ৰপন্থী নিহত হৈছে। যোৱা মাহত হিজবুল্লাহৰ সৈতে সংঘাত বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত ইজৰাইলৰ সেনাই লেবাননত ধাৰাৱাহিক বিমান আক্ৰমণ অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে ইজৰাইলৰ বিৰুদ্ধে পেলেষ্টাইনী সশস্ত্ৰ সংগঠন হামাছৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছৰে পৰা ইজৰাইলৰ সেনা আৰু হিজবুল্লাহৰ মাজত সংঘাত আৰম্ভ হৈছিল।

০০০০০

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে বাংগালুৰুত অনুষ্ঠিত তিনিখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ আজি চতুৰ্থ দিনা ৩ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ২৩১ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। কালি দিনান্তত ছৰফৰাজ খানে ৭০ ৰান কৰি খেলি আছিল। আনহাতে বিৰাট কোহলিয়ে কালিৰ অন্তিমটো বলত ৭০ ৰান কৰি আউট হয়। ভাৰত এতিয়াও নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ১২৫ ৰানত পাছ পৰি আছে। নিউজিলেণ্ডৰ হৈ এজাছ পেটেলে দুটা উইকেট দখল কৰাৰ বিপৰীতে গ্লেন ফিলিপছে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে কালি ৪০২ ৰানত প্ৰথম ইনিংছ সামৰে।

০০০০০

নিউজিলেণ্ডে যোৱানিশা ইউ এ ইৰ শ্বাৰজাহত অনুষ্ঠিত মহিলাৰ টি-টুৱেণ্টি বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ৱেষ্ট ইণ্ডিজক ৮ ৰানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। খেলখনত নিউজিলেণ্ড টছত জিকি প্রথম বেট ধৰাৰ সিদ্ধান্ত লৈ নির্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২৮ ৰান সংগ্রহ কৰে। নিউজিলেণ্ডৰ হৈ জর্জিয়া প্লিমাৰে সর্বাধিক ৩৩ ৰান কৰে। ৱেষ্ট ইণ্ডিজৰ ডিয়েন্দ্রা ডটিনে ৪টা উইকেট লাভ কৰে। প্রত্যুত্তৰত ৱেষ্ট ইণ্ডিজে নির্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১২০ ৰানহে কৰিবলৈ সমর্থ হয়। নিউজিলেণ্ড কাইলৈ ফাইনেলত দক্ষিণ আফ্রিকাৰ বিৰুদ্ধে অৱতীর্ণ হ’ব।

ooooo

শ্রোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী আৰু নিউজ অন এয়াৰ এপত শুনিবলৈ পাব। শেহতীয়া বা-বাতৰিৰ বাবে আকাশবাণীৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী, এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই, ইউটিউবত এ আই আৰ নিউজ গুৱাহাটী আৰু ইনষ্টাগ্রামত এয়াৰ নিউজ_গুৱাহাটী** ফ’ল’ কৰিব পাৰে।

ooooo

**সমাপ্ত**